# যোহনৰ তৃতীয় পত্ৰ

১ যোহনৰ ফালৰ পৰা: প্ৰিয় বন্ধু, গায়ুচ যাক মই সত্যৰে মই প্ৰেম
কৰোঁ তেওঁৰ সমীপলৈ।
২ হে মোৰ প্ৰিয় বন্ধু, মই প্ৰাৰ্থনা কৰোঁ যে, তুমি আধ্যাত্মিক ভাৱে
যেনেকৈ উন্নতি কৰি আছা, সেই ধৰণেই সকলো প্ৰকাৰে উন্নতি
কৰি থাকা, আৰু কুশলে সুস্বাস্থ্যৰ আনন্দ উপভোগ কৰি থাকা।
৩ যেতিয়া আমাৰ ভাইবিলাকে আহি তোমাৰ অন্তৰত থকা সত্যৰ
প্ৰতি সাক্ষ্য দিয়াত মই অতিশয় আনন্দিত হলো। তেওঁলোকে
মোক ইয়াকো জনালে যে তুমি সত্যৰ পথত কেনেকৈ চলিছা।
৪ মোৰ সন্তানবিলাকে সত্যত চলাৰ বাৰ্তা শুনি যি আনন্দ হয়
তাতকৈ বৰ আনন্দ আৰু মোৰ নাই।
৫ হে মোৰ প্ৰিয় বন্ধু তুমি আমাৰ ভাইবিলাকলৈ, যি কোনো
কৰিছা সেয়ে বিশ্বাসেৰে কৰিছা। যদিও তেওঁলোক অচিনাকি!
৬ যি প্ৰেম তুমি তেওঁবিলাকলৈ কৰিলা, তেওঁলোকে মণ্ডলীৰ
আগত তাৰ সাক্ষ্য দিলে। তেওঁবিলাকক ঈশ্বৰৰ যোগ্যস্বৰূপে
যাত্ৰা কালত অনুগ্ৰহ কৰি তেওঁলোকৰ সেৱা-শুশ্ৰূষা কৰি
আগবঢ়ায় থবা। ৭ কিয়নো তেওঁবিলাকে খ্ৰীষ্টৰ সেৱাৰ অৰ্থে
ওলাই গল, আৰু তেওঁলোকে পৰজাতি বিলাকৰ পৰা একো
সহায় নললে। ৮ এতেকে আমি বিশ্বাসী সকলে এনে লোকক
সহায় কৰিব লাগে যাতে আমিও সত্যৰ প্ৰতি সহকৰ্মী হবলৈ
সিদ্ধ হওঁ।

৯ এখন চিঠি মই মণ্ডলীলৈ বুলি লিখিছিলো কিন্ত দিয়ত্ৰিফিয়ে
যি তেওঁবিলাকৰ নেতা হবলৈ বিচাৰিছে। ১০ তেওঁ যিবোৰ মই
কওঁ সেইবিলাকক তেওঁ স্বীকাৰ নকৰে। সেয়ে যদি মই গলে
সোঁৱৰণ কৰাম তেওঁ কি কৰিব বিচাৰিছে। তেওঁ মিছা কথাবোৰেৰে
মোক দোষাৰোপ কৰে আৰু ইমানতেই তেওঁ সন্তোষ্ট নহৈ তেওঁ
আমাৰ ভাই বিলাককো সমাদৰ নকৰে, আৰু যিবিলাকে গ্ৰহণ
কৰিব খোজে তেওঁবিলাককো বাৰণ কৰে, আৰু মণ্ডলীৰ পৰাও
বাহিৰ কৰি দিয়ে।
১১ হে মোৰ প্ৰিয় বন্ধু, দুষ্কৰ্ম্মৰ অনুকাৰী নহৈ সৎকৰ্ম্মৰ অনুসৰণ
কৰা, যি জনে সৎকৰ্ম্ম কৰে তেওঁ ঈশ্বৰৰ আৰু যি জনে দুষ্কৰ্ম্ম
কৰে, তেওঁ ঈশ্বৰক দেখা নাই।
১২ দীমীত্ৰিয়ৰ বিষয়ে সকলোৰেই সাক্ষ্য দিছে। স্বয়ং সত্যৰ দ্বাৰাই
সাক্ষ্য দিছে। আমিও তেওঁৰ বিষয়ে সাক্ষ্য দিছোঁ। আৰু তুমি জানা
যে আমাৰ সাক্ষ্য সত্য।
১৩ তোমালৈ লিখিবলৈ মোৰ বহুত কথাই আছে কিন্তু চিয়াঁহী
আৰু কলমেৰে লিখিবলৈ ইচ্ছা কৰা নাই। ১৪ বৰং মই আশা কৰোঁ
যে তোমাক সোনকালেই লগ পাম। তেতিয়া মুখা-মুখিকৈ কথা
পাতিম। ১৫ তোমাৰ শান্তি হওক। তোমাৰ সকলো বন্ধুবিলাকে
মঙ্গলবাদ কৰিছে। তাত আমাৰ সকলো বন্ধু বিলাকক নামেৰে
সৈতে মঙ্গলবাদ দিবা।

## টোকা